যোৰহাট মহাবিদ্যালয়ত ভাৰতীয় জ্ঞান পৰম্পৰাৰ সাতদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালাৰ সফল সামৰণি

'আমাৰ অসম'ৰ যোৰহাটৰ ষ্টাফ ৰিপৰ্টাৰ, ২৯ আগষ্ট ঃ নেডফিৰ অৰ্থসাহায্যত যোৰহাট মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত আয়োজিত "কলা আৰু মানৱীয় বিদ্যাত ভাৰতীয় জ্ঞান পৰম্পৰাৰ সংহতি" শীৰ্ষক সাতদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালাখনৰ আজি সামৰণি পৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীৰ সভাপতিত্বত, ড° ৰঞ্জিৎ ভট্টাচাৰ্য আৰু ড° ৰশ্মি দাসৰ যুটীয়া পৰিচালনাত অনুষ্ঠিত সামৰণী অনুষ্ঠানৰ পূৰ্বে অন্তিম কাৰিকৰী সত্ৰত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ এগ্ৰ'নমি বিভাগৰ অধ্যাপক ড° কল্যাণ পাঠকে। তেওঁ 'কৃষি আৰু ভাৰতীয় জ্ঞান পৰম্পৰা' বিষয়ক এক তথ্যসমৃদ্ধ ভাষণ প্ৰদান কৰে। উল্লেখ্য, ২৪ আগষ্টত কৰ্মশালাখনৰ উদ্বোধনী অনুষ্ঠানত বীজ ভাষণ প্ৰদান কৰে উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ ড° মুকুল চন্দ্ৰ বৰাই। ২৫ আগষ্টত আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্যমণ্ডিত বৰুৱাই অসমীয়া ভাষা আৰু লিপিৰ ক্ৰমবিকাশ সম্পৰ্কে বক্তৃতা প্ৰদান। ২৬ আগষ্টত যোৰহাটৰ দেৰীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অঞ্জন কুমাৰ বৰাই বেদ, বেদান্ত আৰু উপনিষদৰ নীতিতত্ত্ব সম্পৰ্কে আলোচনা আগবঢ়ায়। চতুৰ্থ দিনা ড° জগতজ্যোতি বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত বিশেষ সত্ৰত অংশগ্ৰহণকাৰীসকলে নিজৰ নিজৰ পৰম্পৰাগত জ্ঞানৰ ক্ষেত্ৰখন উপস্থাপন কৰে। এই পৰ্যায়ত উৎপল দত্ত, ড° তৰুণ লয়িং, ড° জগতজ্যোতি বৰুৱা, ড° জ্যোতিময় বৰদলৈ, ড° শুভ্ৰজ্যোতি চন্দ আৰু ৰক্তিমজ্যোতি হাজৰিকাই গুৰুত্বপূৰ্ণ বিষয়বস্তু সম্পৰ্কে আলোকপাত কৰে। পঞ্চম দিনা বুৰঞ্জীত লিপিবদ্ধ হোৱা মৌখিক জ্ঞান পৰম্পৰা আৰু অসমৰ ইতিহাসৰ লুকাই থকা তথ্যৰাজি সম্পৰ্কে ড° সৌমিত্ৰ পূজাৰীয়ে এক আকৰ্ষণীয় বক্তৃতা আগবঢ়ায়। সামৰণী অনুষ্ঠানত কেইবাজনো অংশগ্ৰহণকাৰীয়ে কৰ্মশালাৰ অভিজ্ঞতা আৰু লাভ কৰা জ্ঞানৰ বিষয়ে ব্যক্ত কৰে। অধ্যাপিকা স্বপ্নাজ্যোতি বৰাইও ভাষণ দিয়ে। এই অনুষ্ঠানতে অংশগ্ৰহণকাৰীসকলক মানপত্ৰ প্ৰদান কৰা হয়। কৰ্মশালাৰ মুখ্য সমন্বয়ক ড° গীতাৰ্থ গোস্বামীয়ে শলাগৰ শৰাই আগবঢ়ায়।